# পাঠ - ১২
# প্ৰাকৃতিক সম্পদ

আমাৰ পৃথিৱীখন বায়ু, পানী, মাটি, খনিজ পদাৰ্থ, অৰণ্য আৰু বন্যপ্ৰাণীৰে ভৰপূৰ। এইবোৰ প্ৰত্যেকেই একো একোটা সম্পদ। প্ৰকৃতিত পোৱা এই সম্পদবোৰেই হৈছে **প্ৰাকৃতিক সম্পদ**। অসম প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য।

**অসমৰ কেইবিধমান প্ৰাকৃতিক সম্পদৰ বিষয়ে জানি লওঁ আহা-**

অসমৰ হাবিত নানাবিধ মূল্যৱান গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটি পোৱা যায়। এইবোৰেই আমাৰ **বনজ সম্পদ**। এই গছ-গছনি আৰু প্ৰাণীৰ পৰা আমাৰ বহুতো উপকাৰ হয়। গছ-গছনিৰ অভাৱত প্ৰাণী জীয়াই থাকিব নোৱাৰে। গছ-গছনিয়ে কিছু পৰিমাণে বায়ুমণ্ডলৰ প্ৰদূষণো দূৰ কৰে। আমাৰ বনজাত সম্পদসমূহক উদ্ভিদ আৰু প্ৰাণী এই দুভাগত ভগাব পাৰি।

বনচোম, শাল, চেগুণ, তিতাচঁপা, গমাৰী, বাঁহ-বেত আদি উদ্ভিদ আৰু গঁড়, হাতী, বাঘ, ম'হ, হৰিণা, দেওহাঁহ, বান্দৰ, ধনেশ, বৰটোকোলা আদি প্ৰাণীয়েই হৈছে আমাৰ বনজ সম্পদ। হাবিত থকা গছৰ পৰা মূল্যবান কাঠ, খৰি, বাঁহ, বেত আদি পাওঁ।



কাঠ, বাঁহ বেতৰ পৰা আমি বিভিন্ন ধৰণৰ আচবাব তৈয়াৰ কৰিব পাৰোঁ। এই আচবাবৰ ব্যৱসায় কৰি আমাৰ বহুলোক আৰ্থিকভাবে লাভবান হৈছে।



কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এশিঙীয়া গঁড়ৰ বাবে পৃথিৱী বিখ্যাত।

মানাহ অভয়াৰণ্যত বাঘ সংৰক্ষণৰ প্ৰকল্প আছে।



## ক্ৰিয়া-কলাপ

- বনজ সম্পদসমূহক তলত দিয়াধৰণে ভগাওঁ আহা-

| | উদ্ভিদ | | প্ৰাণী |
|---|---|---|---|
| ১। | বনচোম | ১। | দেওহাঁহ |

**দলগত কাৰ্য (শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় ল'বা)**

- তোমাৰ অঞ্চলত কি কি মূল্যবান গছ আছে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

অসম খাৰুৱা তেলৰ বাবে ভাৰতৰ ভিতৰতে এখন চহকী ৰাজ্য। সেয়েহে অসমক **'পনীয়া সোণৰ ৰাজ্য'** বুলি কোৱা হয়। ভূ-গৰ্ভত খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা, চূণশিল আদি পোৱা যায়। ভূ-গৰ্ভত পোৱা এই সম্পদবোৰেই হৈছে **খনিজাত** বা **খনিজ সম্পদ**।



খনিজ সম্পদৰ ব্যৱহাৰ

ভূ-গৰ্ভত পোৱা খাৰুৱা তেল পোনে পোনে ব্যৱহাৰৰ বাবে উপযোগী নহয়। এই তেল পৰিশোধন কৰি কেৰাচিন, পেট্ৰ'ল, ডিজেল আদি উৎপাদন কৰা হয়। এইবিলাক আমি বিভিন্ন কামত যেনে- মটৰ গাড়ী, ৰে'লগাড়ী আদিত ইন্ধন হিচাপে ব্যৱহাৰ কৰোঁ। খাৰুৱা তেলৰ লগত পোৱা প্ৰাকৃতিক গেছো ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়। আমি ব্যৱহাৰ কৰি থকা মমবাতি, ভেচলিন, আলকেতেৰা, নেপথালিন আদি খাৰুৱা তেলৰ পৰাই তৈয়াৰ কৰা হয়।



ৰে'ল গাড়ী, কল-কাৰখানা আদি চলাবলৈ কয়লা ব্যৱহাৰ কৰা হয়। চূণশিল আমাৰ আন এবিধ খনিজ সম্পদ। চূণশিলৰ পৰা বিলাতী মাটি প্ৰস্তুত কৰা হয়।

**অসমৰ কাৰ্বি আংলং জিলাত অধিক পৰিমাণে চূণশিল পোৱা যায়।**

### চিন্তা কৰি লিখা

— যান-বাহন চলাবলৈ আমাক কি কি ইন্ধন লাগে?

— গেছ ষ্টোভ জ্বলাবলৈ কি ইন্ধনৰ প্ৰয়োজন?

— কল-কাৰখানা চলাবলৈ কি কি ইন্ধন লাগে?

### ক্ৰিয়া-কলাপ

কি কি কামত কয়লা ব্যৱহাৰ কৰিব পাৰি ভাবি চাই কাষৰ খালী বাকচত লিখা-





**দলত আলোচনা কৰি লিখা-**

- বনজ সম্পদে আমাক কি ধৰণে সহায় কৰে?
- খাৰুৱা তেল নহ'লে আমাৰ কি অসুবিধা হ'ব?

মনত পেলাওঁ আহা-


- অসমৰ প্ৰধান নৈকেইখন কি কি?
- তোমাৰ অঞ্চলত থকা নৈ বা উপনৈসমূহৰ নাম কোৱা?
- নৈসমূহৰ পৰা আমাৰ কি কি সুবিধা হয়?



নদ-নদী, খাল-বিল, পুখুৰী, আদিৰ পানী আমি বিভিন্ন কামত ব্যৱহাৰ কৰোঁ। পানীত বিভিন্ন প্ৰাণী যেনে- মাছ, কাছ, ঘঁৰিয়াল, শিহু আদি থাকে। এইবোৰ আমাৰ বৰ উপকাৰী। পানীত থকা উদ্ভিদ আৰু প্ৰাণীসমূহ আমাৰ **জলজ সম্পদ**।

**নদ-নদী বেছি থকাৰ কাৰণে অসমক 'নদী মাতৃক দেশ' বুলি কোৱা হয়।**

জানি লওঁ আহা-



নদীৰ পানী খালেৰে বোৱাই নি খেতি-পথাৰত পানী দিয়াৰ ব্যৱস্থা কৰা হয়। তদুপৰি নদীৰে নাও, জাহাজ আদি যাতায়াত ব্যৱস্থাৰ জৰিয়তে বেপাৰ-বাণিজ্যও কৰিব পাৰি। জোৰেৰে বৈ অহা পানীৰ সোঁতৰ সহায়ত টাৰবাইন মেচিন চলাই বিদ্যুৎ উৎপাদন কৰা হয়। এই বিদ্যুৎ শক্তিক **জল বিদ্যুৎ শক্তি** বোলে। ই বিভিন্ন কল-কাৰখানা চলোৱাত সহায় কৰে।

সকলো প্ৰাকৃতিক সম্পদেই অতি মূল্যৱান। সেয়ে এই সম্পদবোৰ আমি সংৰক্ষণ কৰিব লাগে, যাতে এইবোৰ প্ৰকৃতিৰ বুকুৰ পৰা নিঃশেষ হৈ নাযায়।

## অনুশীলনী

১। উত্তৰ লিখা-

(ক) প্ৰাকৃতিক সম্পদ কাক বোলে?

(খ) খনিজ সম্পদ কাক বোলে?

(গ) অসমৰ খনিজ সম্পদসমূহ কি কি?

(ঘ) অসমক কিয় 'পনীয়া সোণৰ ৰাজ্য' বুলি কোৱা হয়?

(ঙ) জলজ সম্পদ কি?

(চ) অসমক কিয় 'নদী মাতৃক দেশ' বুলি কোৱা হয়?

(ছ) তিনিবিধ বনজ সম্পদৰ নাম।

২। আমি কিয় প্ৰাকৃতিক সম্পদবোৰৰ সদ্ব্যৱহাৰ কৰিব লাগে?

৩। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া-

(ক) আলকেতেৰা কয়লাখনিত পোৱা যায়।

(খ) চূণশিল এবিধ বনজ সম্পদ।

(গ) প্ৰাকৃতিক সম্পদৰ আমি সদ্ব্যৱহাৰ কৰিব লাগে।

(ঘ) অসমৰ কাৰ্বি আংলং জিলাত খাৰুৱা তেল প্ৰচুৰ পৰিমাণে পোৱা যায়।

(ঙ) ভূ-গৰ্ভত পোৱা খাৰুৱা তেল পোনে পোনে ব্যৱহাৰৰ বাবে উপযোগী।

৪। **'ক'** অংশৰ লগত **'খ'** অংশ মিলোৱা-

| **'ক'** | **'খ'** |
|---|---|
| কয়লা | বনজ সম্পদ |
| খাৰুৱা তেল | জলজ সম্পদ |
| গঁড়, হাতী | খনিজ সম্পদ |
| পানীত থকা প্ৰাণীসমূহ | পনীয়া সোণ |